[20-HKPGDEN-M4S(N)21J]

MA 4th Semester (New) Exam., 2020

ASSAMESE

[PGAS–S4–02 (Lang)]

(প্ৰাকৃতিবিজ্ঞান আৰু অসমীয়া ৰূপতত্ত্ব)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ লিখক : 1×8=8

(i) মুক্ত প্ৰাকৃতি আৰু বদ্ধ প্ৰাকৃতিৰ মাজত থকা মৌলিক পাৰ্থক্যটো কি?

(ii) গুণবাচক বিশেষ্য বুলিলে কি বুজে, লিখক।

(iii) যি কোনো দুটা বিশেষণীয় বিশেষণৰ উদাহৰণ দিয়ক।

(iv) বচন কাক বোলে?

(v) *Grammatical Notes on the Assamese Language* এই গ্ৰন্থখনৰ লেখক কোন?

(vi) সংযোজক আৰু বিয়োজক অব্যয়ৰ একোটিকৈ উদাহৰণ দিয়ক।

(vii) অসমীয়া ভাষাত মূলতঃ কেইটা কাৰক পোৱা যায়?

(viii) "সকলো বাক্যৰে মূলতঃ দুটা অংশ থাকে।" ইয়াত উল্লেখ কৰা বাক্যৰ অংশ দুটা কি কি?

(b) খালী ঠাঁই পূৰণ কৰক: 1×4=4

(i) 'ৰূপতত্ত্ব' শব্দটো ইংৰাজী _____ শব্দৰ পাৰিভাষিক ৰূপ।

(ii) ভাৰতবৰ্ষত যিমানবোৰ আধুনিক ভাৰতীয় আৰ্যভাষা পোৱা যায় সেই সকলো ভাষাৰ মূল হ'ল _____ ভাষা-পৰিয়াল।

(iii) যিবোৰ সৰ্বনামে কোনো ব্যক্তি বা পুৰুষক বুজায়, সেইবোৰক _____ সৰ্বনাম বুলি কোৱা হয়।

(iv) বাক্যত ব্যৱহৃত যিবোৰ পদত কোনো বিভক্তি যোগ নহয় অথবা যিবোৰ পদৰ কোনো সাল-সলনি নহয় সেইবোৰ পদেই _____ পদ।

(c) শুদ্ধ উত্তৰটো বাছি উলিয়াওক : 1×4=4

(i) যিবোৰ সৰ্গ বা বদ্ধৰূপ মূল বা প্ৰকৃতিৰ আগত বহি ভিন্ন অৰ্থবাচক শব্দ বা ৰূপ সাধন কৰে সেয়াই হৈছে

1. প্ৰত্যয়
2. উপসৰ্গ
3. পৰসৰ্গ
4. অন্ত:সৰ্গ

(ii) 'মখা', 'গণ', 'সোপা', 'মালা'—আদি প্ৰত্যয়বোৰ হৈছে

1. কৃৎ প্ৰত্যয়
2. তদ্ধিৎ প্ৰত্যয়
3. একবচন বুজোৱা প্ৰত্যয়
4. বহুবচন বুজোৱা প্ৰত্যয়

(iii) 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ' গ্ৰন্থখনৰ প্ৰণেতাগৰাকী হ'ল

1. বাণীকান্ত কাকতী
2. উপেন্দ্ৰনাথ গোস্বামী
3. গোলকচন্দ্ৰ গোস্বামী
4. বিশ্বেশ্বৰ হাজৰিকা

(iv) কৰ্তা কাৰকত কি বিভক্তিৰ চিন প্ৰয়োগ হয়?

1. প্ৰথমা
2. দ্বিতীয়া
3. তৃতীয়া
4. চতুৰ্থী

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) প্ৰত্যয় কাক বোলে? অসমীয়া ভাষাত প্ৰত্যয় মূলতঃ কেইবিধ আৰু কি কি?

(b) পদৰ এটি সৰ্বগ্ৰহণযোগ্য সংজ্ঞা নিৰ্ণয় কৰক।

(c) উদাহৰণেৰে সৈতে সংজ্ঞাবাচক বিশেষ্যৰ পৰিচয় দাঙি ধৰক।

(d) শব্দবিভক্তি কাক বোলে?

(e) ভাৰতবর্ষৰ আর্যভাষাৰ ইতিহাসক কি কি তিনিটা ভাগত ভাগ কৰিব পাৰি?

(f) নামনি অসমৰ উপভাষাৰ স্বতন্ত্র ভাষাৰূপ দুটা কি কি?

3. তলৰ যি কোনো **চাৰিটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) ক্রিয়া বিশেষণ কাক বোলে? অসমীয়া ভাষাত ক্রিয়া বিশেষণ শব্দ কেনেদৰে গঠন হয়, আলোচনা কৰক।

(b) অসমীয়া ভাষাৰ সর্বনামৰ পুৰুষ কেইটা আৰু কি কি, এই বিষয়ে এটি চমু আলোচনা যুগুত কৰক।

(c) নির্দিষ্টতাবাচক প্রত্যয় কাক বোলে? অসমীয়া ভাষাত ব্যৱহৃত নির্দিষ্টতাবাচক প্রত্যয়ৰ যি কোনো দহোটা উল্লেখ কৰক।

(d) অসমীয়া ভাষাত পদৰ শ্রেণীবিভাগসমূহ কেনেদৰে কৰা হৈছে, চমুকৈ লিখক।

(e) চমু টোকা লিখক—শূন্য প্রাকৃতি।

4. তলৰ যি কোনো **তিনিটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) বিশেষণৰ তাৰতম্য বা তুলনা মানে কি? অসমীয়া ভাষাত কি কি উপায়েৰে বিশেষণৰ তুলনা কৰিব পাৰি, চমুকৈ লিখক।

(b) সর্বনামৰ বিভিন্ন শ্রেণীবিভাগ সম্পর্কে এটি টোকা প্রস্তুত কৰক।

(c) অনির্দিষ্টতাবাচক প্রত্যয় কাক বোলে? অসমীয়া ভাষাত প্রয়োগ হোৱা অনির্দিষ্টতাবাচক প্রত্যয়সমূহৰ বিষয়ে চমুকৈ লিখি এটি প্রবন্ধ যুগুত কৰক।

(d) 'কর্ম কাৰক' আৰু 'অপাদান কাৰক'ৰ সংজ্ঞা লিখি উদাহৰণ দিয়ক।

5. তলৰ যি কোনো **তিনিটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) ৰূপতত্ত্বৰ সংজ্ঞা উল্লেখ কৰি অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য সম্পর্কে এটি সামগ্রিক আলোচনা যুগুত কৰক।

(b) লিংগ বুলিলে কি বুজে? অসমীয়া ভাষাত লিংগ কেইপ্রকাৰৰ আৰু কি কি? অসমীয়া ভাষাত লিংগ নির্ণয়ৰ কি কি পদ্ধতি পোৱা যায়? প্রত্যেকৰে উদাহৰণসহ বিশদ আলোচনা দাঙি ধৰক।

(c) সমাপিকা আৰু অসমাপিকা ক্রিয়া কাক বোলে? দুয়োবিধ ক্রিয়াৰে প্রধান বৈশিষ্ট্যসমূহ উদাহৰণসহ ব্যাখ্যা কৰি বুজাই লিখক।

(d) বাক্যতত্ত্ব কাক বোলে? অসমীয়া ভাষাৰ বাক্যতত্ত্বৰ চমু পৰিচয় দিয়ক।

★ ★ ★